আগবঢ়োৱা হয়—

(ক) বিজ্ঞান-প্ৰযুক্তিৰ জনপ্ৰিয়কৰণত উল্লেখযোগ্য অৱদানলৈ ৰাষ্ট্ৰীয় বঁটা (National Award for Outstanding Efforts in Science & Technology Communication) ঃ

এই বঁটাটো ব্যক্তি বা প্ৰতিষ্ঠানলৈ আগবঢ়োৱা হয়, যি ব্যক্তি বা প্ৰতিষ্ঠানে বিগত পাঁচ বছৰত বিভিন্ন কাৰ্যসূচীৰ মাধ্যমেৰে সমাজত বিজ্ঞানক জনপ্ৰিয় কৰাত বা বিজ্ঞান মানসিকতা গঢ়াত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছে।

বঁটা হিচাপে আগবঢ়োৱা হয় পাঁচ লাখ টকা, এটা স্মৃতিচিহ্ন আৰু এখন মানপত্ৰ।

(খ) ছপা মাধ্যমৰ জৰিয়তে বিজ্ঞান-প্ৰযুক্তিৰ জনপ্ৰিয়কৰণত উল্লেখযোগ্য অৱদানলৈ ৰাষ্ট্ৰীয় বঁটা (National Award for Outstanding Efforts in Science & Technology Communication through Print Media, including Books and Magazines) ঃ

এই বঁটা আগবঢ়োৱা হয় ব্যক্তি বা প্ৰতিষ্ঠানলৈ, যি ব্যক্তি বা প্ৰতিষ্ঠানে ছপা মাধ্যম অৰ্থাৎ গ্ৰন্থ আৰু আলোচনী, বাতৰিকাকতৰ মাধ্যমেৰে বিগত পাঁচ বছৰত জনগণৰ মাজত বিজ্ঞান জনপ্ৰিয় কৰাত আৰু বিজ্ঞান মানসিকতা গঢ়াত উল্লেখযোগ্য অৱদান আগবঢ়াই আহিছে।

বঁটা হিচাপে আগবঢ়োৱা হয় দুই লাখ টকা, এটা স্মৃতিচিহ্ন, এখন মানপত্ৰ।

(গ) শিশুসকলৰ মাজত বিজ্ঞান-প্ৰযুক্তি জনপ্ৰিয়কৰণৰ উল্লেখযোগ্য অৱদানৰ কাৰণে ৰাষ্ট্ৰীয় বঁটা (National Award for Outstanding Efforts in Science & Technology Popularization Among Children) ঃ

এই বঁটা আগবঢ়োৱা হয় ব্যক্তি বা প্ৰতিষ্ঠানলৈ, যি ব্যক্তি বা প্ৰতিষ্ঠানে যোৱা পাঁচ বছৰত শিশুৰ মাজত বিজ্ঞান জনপ্ৰিয় কৰাত বা শিশুসকলৰ বিজ্ঞান মানসিকতা গঢ়াত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছে।

বঁটা হিচাপে আগবঢ়োৱা হয় দুই লাখ টকা, এটা স্মৃতিচিহ্ন, এখন মানপত্ৰ।

(ঘ) জনপ্ৰিয় বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ লেখাবোৰ সংবিধানত উল্লিখিত ৰাজ্যিক ভাষা তথা ইংৰাজীলৈ অনুবাদৰ উল্লেখযোগ্য অৱদানলৈ ৰাষ্ট্ৰীয় বঁটা (National Award for Outstanding Efforts in Translation of Popular Science & Technology Literature in languages mentioned in the eighth schedule of the Constitution of India and in English) ঃ

এই বঁটা আগবঢ়োৱা হয় ব্যক্তি বা প্ৰতিষ্ঠানলৈ, যি ব্যক্তি বা প্ৰতিষ্ঠানে যোৱা পাঁচ বছৰত জনপ্ৰিয় বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ লেখাবোৰ সংবিধানৰ অষ্টম অনুসূচীত উল্লিখিত ৰাজ্যিক ভাষালৈ আৰু ইংৰাজীলৈ অনুবাদ কৰাত অনবদ্য অৱদান আগবঢ়াইছে।

বঁটাত আগবঢ়োৱা হয় দুই লাখ টকা, এটা স্মৃতিচিহ্ন, এখন মানপত্ৰ।

(ঙ) উদ্ভাৱনমূলক আৰু পৰম্পৰাগত পদ্ধতিৰ মাধ্যমেৰে বিজ্ঞান-প্ৰযুক্তি জনপ্ৰিয়কৰণত উল্লেখযোগ্য আৱদানলৈ ৰাষ্ট্ৰীয় পুৰস্কাৰ (National Award for Outstanding Efforts in Science & Technology Communication through Innovative and Traditional Methods) ঃ

এই বঁটা আগবঢ়োৱা হয় ব্যক্তি আৰু প্ৰতিষ্ঠানলৈ, যি ব্যক্তি বা প্ৰতিষ্ঠানে যোৱা পাঁচ বছৰত উদ্ভাৱনমূলক আৰু পৰম্পৰাগত পদ্ধতিৰ মাধ্যমেৰে জনসাধাৰণৰ মাজত বিজ্ঞান-প্ৰযুক্তিক জনপ্ৰিয় কৰি তোলাত উল্লেখযোগ্য বৰঙণি আগবঢ়াইছে।

বঁটাত আগবঢ়োৱা হয় দুই লাখ টকা, এটা স্মৃতিচিহ্ন আৰু এখন মানপত্ৰ।

(চ) ইলেক্ট্ৰনিক মাধ্যমত, বিজ্ঞান-প্ৰযুক্তি বিদ্যাক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত আগবঢ়োৱা অনবদ্য অৱদানলৈ ৰাষ্ট্ৰীয় পুৰস্কাৰ (National Award for Outstanding Efforts in Science & Technology Communication in Electronic Media) ঃ

যোৱা পাঁচ বছৰত, ৰেডিঅ' বা টেলিভিছনৰ মাধ্যমেৰে বিজ্ঞান জনপ্ৰিয়কৰণত উল্লেখযোগ্য অৱদান আগবঢ়োৱা ব্যক্তি বা প্ৰতিষ্ঠানলৈ এই বঁটা আগবঢ়োৱা হয়।

বঁটাত আগবঢ়োৱা হয় দুই লাখ টকা, এটা স্মৃতি চিহ্ন, এখন মানপত্ৰ।

## ২০১৯ চনত ৰাষ্ট্ৰীয় বঁটা লাভ কৰা বিজ্ঞানীসকল আৰু সংস্থা

**ছপা মাধ্যমত**

১। ড° সূৰ্যমণি বেহেৰা, ওড়িষা
২। ড° অমিয়া ৰাজবংশী, অসম

**শিশু সাহিত্যত**

১। দীপক শৰ্মা, উত্তৰ প্ৰদেশ
২। কিষাণ সেৱা সংস্থা, উত্তৰ প্ৰদেশ

**পৰম্পৰাগত মাধ্যমত**

১। ড° মহেশ ভাৰ্মা, দিল্লী
২। ড° এছ নাগাৰাথিনাম, তামিলনাডু
৩। ড° ৰাজেন্দ্ৰ কুমাৰ, দিল্লী

**ইলেক্ট্ৰনিক মাধ্যমত**

১। ড° উমা কুমাৰ, দিল্লী

## ৰাষ্ট্ৰীয় বঁটা লাভ কৰা অসমীয়া বিজ্ঞানীসকল

১৯৮৭ চনৰপৰা ২০১৯ চনলৈকে এই ৩২ বছৰে বহু ভাৰতীয় বিজ্ঞানীয়ে, বিজ্ঞান-প্ৰযুক্তিৰ জটিল বিষয়বস্তুবোৰক জনগণৰ মাজলৈ সহজ-সৰল ৰূপত লৈ গৈ বিজ্ঞানক জনপ্ৰিয় কৰি তোলাৰ ক্ষেত্ৰত তেওঁলোকৰ কঠোৰ পৰিশ্ৰমৰ স্বীকৃতি লাভ কৰিছে ৰাষ্ট্ৰীয় পৰ্যায়ৰ সন্মানেৰে। আমাৰ অসমীয়া বিজ্ঞানীসকলো পিছপৰি থকা নাই। ৰাষ্ট্ৰীয় পুৰস্কাৰ লাভ কৰা অসমীয়া বিজ্ঞানীসকলৰ নাম ক্ৰম অনুসৰি উল্লেখ কৰা হ'ল—

১। ড° দীনেশ চন্দ্ৰ গোস্বামী—১৯৯৭ চন
২। ড° বিজয় কৃষ্ণ দেৱশৰ্মা—১৯৯৮ চন
৩। ক্ষীৰধৰ বৰুৱা—২০০৪ চন
৪। ড° প্ৰমোদ চন্দ্ৰ তামুলী—২০১০ চন
৫। অৰ্পণ দত্ত—২০১১ চন
৬। ড° কৈলাস গোস্বামী—২০১৩ চন
৭। ভবেশ মহন্ত—২০১৩ চন
৮। ড° ৰমেশ চন্দ্ৰ গোস্বামী—২০১৪ চন
৯। অভিজিত শৰ্মা বৰুৱা—২০১৪ চন
১০। ড° দিলীপ কুমাৰ শৰ্মা—২০১৭ চন
১১। ড° অংকুৰণ দত্ত—২০১৮ চন
১২। ড° মুনীন্দ্ৰ কুমাৰ মজুমদাৰ—২০১৮ চন
১৩। ড° অমিয়া ৰাজবংশী—২০১৯ চন

**মোৰ অনুভৱ ঃ**

মই এগৰাকী বিজ্ঞানৰ শিক্ষয়িত্ৰী। বিজ্ঞান জনপ্ৰিয়কৰণ মোৰ পেছা। কিন্তু বিজ্ঞান জনপ্ৰিয়কৰণৰ কামটো মই শিক্ষকতাতে সীমাবদ্ধ নাৰাখি জনগণৰ মাজলৈ লৈ যাবলৈ প্ৰয়াস কৰিছিলোঁ। বিজ্ঞান শিক্ষাক বিজ্ঞান সাহিত্যলৈ ৰূপান্তৰিত কৰিবলৈ চেষ্টা কৰিছিলোঁ। ড° মহেশ্বৰ নেওগৰ মতে বিজ্ঞান মস্তিষ্কৰ, সাহিত্য হৃদয়ৰ বস্তু। কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ মতে বিজ্ঞান হৈছে চিন্তাৰ বস্তু আৰু সাহিত্য ভাবৰ। মস্তিষ্কৰ বস্তু, চিন্তাৰ বস্তু বিজ্ঞানত সাহিত্যৰ সৌন্দৰ্যৰ প্ৰলেপেৰে সুন্দৰতা প্ৰদান কৰি সৃষ্টি কৰা হয় বিজ্ঞান সাহিত্যৰ। সৰল অৰ্থত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ যিকোনো বিষয়বস্তু সৰ্বসাধাৰণৰ বোধগম্য হোৱাকৈ সৃষ্টি কৰা সাহিত্য কৰ্মই হৈছে বিজ্ঞান সাহিত্য। মই ১৯৭০ চনৰপৰাই বিজ্ঞান সাহিত্য চৰ্চা কৰি আহিছোঁ, অৱশ্যে এই চৰ্চা অবিৰত হৈছিল মোৰ একমাত্ৰ পুত্ৰ পাঞ্চালৰ মৃত্যুৰ পাছৰপৰা, মানসিক যন্ত্ৰণা ৰূপান্তৰৰ পৰিপ্ৰেক্ষিতত। শিক্ষয়িত্ৰী নোহোৱা হ'লে হয়তো মই এই পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম নহ'লোঁহেঁতেন।

বিজ্ঞান জনপ্ৰিয়কৰণৰ এই ৰাষ্ট্ৰীয় বঁটাটো অসমত এতিয়ালৈকে বাৰজন পুৰুষে লাভ কৰিছে, কোনো মহিলাই লাভ কৰা নাছিল।

ঠিকনা ঃ ৱাৰ্ড-১৪, খেলমাটি, ডাক ঃ খেলমাটি-৭৮৭০৩১, উত্তৰ লখিমপুৰ, ফোন ঃ ৯১৭০০২৪০৯১২১, ০৩৭৫২২৪৩৩০৭ (ঘৰ), ৯৪৩৫০৮৯৩৫৩